**অসম বিধান সভা**

তৰাযুক্ত প্ৰশ্ন নং- ১২৪

উত্তৰ দিয়াৰ তাৰিখ- ১৪-০৭-২০২৬

বিষয় : **মৰগীয়া বানচ সম্পৰ্কে**

বিধায়কৰ নাম : শ্ৰী জাকিৰ হুছেইন সিকদাৰ :

**মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :**

**<u>প্ৰশ্ন</u>**

(ক) শেহতীয়াকৈ ৰাজ্য চৰকাৰে মৰগীয়া বানচ ৬০ শতাংশ নিৰ্ধাৰণ কৰিছে। ইয়াৰ ফলত ৰাজ্য চৰকাৰৰ অতিৰিক্ত কিমান পুঁজিৰ দৰকাৰ হ'ব ? জনাব।

(খ) এই মৰগীয়া বানচ কোন মাহৰ পৰা কাৰ্য্যকৰী কৰা হৈছে জানুৱাৰী নে জুন মাহ ?

(গ) যদি জুন মাহৰ পৰা কাৰ্য্যকৰী কৰা হয় তেন্তে জানুৱাৰীৰ পৰা কিয় কাৰ্য্যকৰী কৰা নহ'ল যিহেতু কেন্দ্ৰীয় চৰকাৰে জানুৱাৰী মাহৰ পৰা কাৰ্য্যকৰী কৰিছে ? বিতংভাৱে জনাব।

(ঘ) পূৰ্বৰ চৰকাৰৰ বাজেট ভাষণত বিত্ত মন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানীয়ে ঘোষণা কৰিছিল যে চৰকাৰে ২০০৫ চনৰ ১ ফেব্ৰুৱাৰীৰ পূৰ্বে নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হোৱা নিয়মীয়া কৰ্মচাৰীসকলক পেঞ্চন পুঁজি নিয়ন্ত্ৰক আৰু উন্নয়ন কৰ্তৃপক্ষৰ চুক্তি অনুসৰি নতুন পেঞ্চন আঁচনিৰ (NPS) তহবিলত জমা হোৱা চৰকাৰৰ বৰঙণিৰ অংশ ওভতাই দিয়াৰ চৰ্তত পুৰণি পেঞ্চন আঁচনিৰ (OPS) সুবিধা প্ৰদানৰ কথা বিবেচনা কৰিব। এই ঘোষণা চৰকাৰে কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত কিমান আগবাঢ়িছে ?

(ঙ) যদি চৰকাৰে পদক্ষেপ লৈছে কাৰ্য্যকৰীকৰণ কৰিবলৈ কিমান দিন সময় লাগিব ?

(চ) চলিত বিত্তীয় বৰ্ষত বৰ্তমানলৈ বিভিন্ন বিভাগ হিচাপে কিমান ৰাজহ লাভ কৰিছে তাৰ তথ্য দিব ।

(ছ) চলিত বিত্তীয় বৰ্ষত বিভিন্ন বিভাগলৈ চৰকাৰে কিমান পুঁজি মোকলাই দিছে তাৰ তথ্য দিব।

**মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয় শ্ৰীযুত জয়ন্ত মল্ল বৰুৱা দেৱে উত্তৰ দিব :**

**<u>উত্তৰ</u>**

(ক) ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ মৰগীয়া বানচ (DA) বৃদ্ধিৰ ফলত উদ্ভৱ হোৱা অতিৰিক্ত বিত্তীয় প্ৰয়োজনীয়তা পূৰণৰ অৰ্থে বিতং শিতান (Detailed Head) '০১-দৰমহা' আৰু '২১-পেঞ্চন' (21-pension) ৰ অধীনত আনুমানিক ৪৯.৮২ কোটি টকাৰ মাহেকীয়া আৱণ্টন আৱশ্যক । তদুপৰি, ৰাজ্য চৰকাৰৰ পৰা দৰমহাৰ বাবে বিত্তীয় সাহায্য লাভ কৰা বিভিন্ন বিশ্ববিদ্যালয়, মহাবিদ্যালয়, ছ'চাইটি আৰু স্বায়ত্তশাসিত পৰিষদসমূহৰ ব্যয় নিৰ্বাহৰ বাবে বিতং শিতান '৩১-সাহায্যক অনুদান (31-Grants-in-aid) দিয়া হয়। ইয়াৰ ফলস্বৰূপে ব্যয়ৰ পৰিমাণ বৃদ্ধি পাব পাৰে।

(খ) বিত্ত (সংস্থাপন-ক) বিভাগৰ কাৰ্যকৰী নিৰ্দেশ নং এফ.ই.জি.২৪৯৮/২০১৭/৪৩১ , তাৰিখ ১৬ জুন, ২০২৬ অনুসৰি, বৰ্দ্ধিত হাৰৰ ৬০% মৰগীয়া বানচ/মৰগীয়া সকাহ ২০২৬ চনৰ জুন মাহৰ দৰমহা /পেঞ্চনৰ সৈতে জুলাই মাহত দিয়া হৈছে ।

(গ) ৰাজ্য চৰকাৰে সময়ে সময়ে ৰাজ্যিক দৰমহা আয়োগৰ পৰামৰ্শ আৰু ৰাজ্যৰ বিত্তীয় অৱস্থাৰ ওপৰত ভিত্তি কৰি নিজৰ কৰ্মচাৰীসকলৰ দৰমহা আৰু অন্যান্য চৰ্তসমূহৰ বিষয়ে সিদ্ধান্ত লয়। খুব কম সংখ্যক ৰাজ্যইহে নিজৰ কৰ্মচাৰীৰ বাবে বৰ্দ্ধিত হাৰৰ ৬০% মৰগীয়া বানচ (DA) ঘোষণা কৰিছে, তাৰ ভিতৰত অসমো এখন । বিত্ত (সংস্থাপন-ক) বিভাগৰ কাৰ্যকৰী নিৰ্দেশ নং এফ.ই.জি.২৪৯৮/২০১৭/৪৩১, তাৰিখ ১৬ জুন, ২০২৬ যোগেদি এতিয়ালৈকে ৫৮% পৰা ৬০% লৈ মৰগীয়া বানচ বৃদ্ধি কৰিছে। (এই আদেশ **পৰিশিষ্ট-১** ত সংলগ্ন কৰা হৈছে আৰু সদনৰ মজিয়াত দাখিল কৰা হৈছে)।

(ঘ) অসম চৰকাৰৰ 'অষ্টাদশ মুকুতাৰ উন্নয়নী মালা' আঁচনিৰ অধীনত ১ ফেব্ৰুৱাৰী, ২০০৫ তাৰিখৰ পূৰ্বে নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হোৱা নিয়মীয়া কৰ্মচাৰীসকলৰ বাবে পুৰণি পেঞ্চন আঁচনি (OPS) পুনৰ প্ৰৱৰ্তনৰ বাজেট ঘোষণা কাৰ্যকৰী কৰিবলৈ, বিত্ত বিভাগে সকলো প্ৰশাসনীয় বিভাগলৈ পত্ৰ নং ই-২৭৮৩২৬/২০২৫/৬৭৬, তাৰিখ ২৮/০৩/২০২৫ (**পৰিশিষ্ট-২** ত সংলগ্ন কৰি সদনৰ মজিয়াত দাখিল কৰা হ'ল) প্ৰেৰণ কৰে য'ত নিযুক্তি দিয়া কৰ্মচাৰীসকলৰ বিশদ তথ্য (নিৰ্ধাৰিত আৰ্হিত) দাখিল কৰিবলৈ অনুৰোধ জনোৱা হৈছিল ।

নিৰ্ধাৰিত প্ৰ-পত্ৰ অনুসৰি ২০ বছৰতকৈ অধিক পুৰণি তথ্য (নিৰ্ধাৰিত আৰ্হিত) নিখুঁতভাৱে সংগ্ৰহ কৰাটো এক বৃহৎ আৰু সময়সাপেক্ষ প্ৰক্ৰিয়া । এই বৃহৎ পৰিসৰৰ তথ্য সমূহ সঠিকভাৱে সংগ্ৰহ কৰি দাখিল কৰিবলৈ বিভিন্ন প্ৰশাসনীয় বিভাগৰ অধীনত থকা বিভাগীয় মুৰব্বী (Head of Departments) সকলৰ পৰা সবিশেষ তথ্যৰ সংগ্ৰহ কৰাৰ বাবে পৰ্যাপ্ত সময়ৰ প্ৰয়োজন ।

নিৰ্ধাৰিত প্ৰপত্ৰ অনুসৰি বিভিন্ন প্ৰশাসনীয় বিভাগৰ পৰা প্ৰয়োজনীয় তথ্যসমূহ ইতিমধ্যে লাভ কৰা হৈছে। প্ৰাপ্ত তথ্যৰ পৰ্যালোচনাৰ অন্তত, কিছুমান বিসংগতি আৰু ব্যাখ্যাগত ত্ৰুটি পৰিলক্ষিত হৈছে । পদৰ মঞ্জুৰি, বিজ্ঞাপন প্ৰকাশ, ফলাফল ঘোষণা আৰু চাকৰিত যোগদানৰ তাৰিখ ইত্যাদি বিষয়ত কিছুমান ক্ষেত্ৰত স্পষ্টতাৰ অভাৱ দেখা গৈছে।

এই সন্দৰ্ভত সম্পূৰ্ণ আৰু নিখুঁত তথ্য সংগ্ৰহৰ বাবে বিত্ত বিভাগে প্ৰতিটো বিভাগৰ মুৰব্বী (Head of Departments) আৰু প্ৰশাসনীয় বিভাগসমূহৰ জ্যেষ্ঠ সচিবসকলৰ সৈতে বিষয়টো নিবিড়ভাৱে আলোচনা কৰি আহিছে । সেইবাবেই এই সমগ্ৰ প্ৰক্ৰিয়াটো সম্পন্ন হবলৈ কিছুসময়ৰ প্ৰয়োজন হৈছে, যদিও চৰকাৰ এই বিষয়ত সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ।

(ঙ) সকলো প্ৰশাসনীয় বিভাগৰ পৰা আৱশ্যকীয় তথ্যসমূহ প্ৰাপ্ত হোৱাৰ পাছতেই এই বিভাগে পৰৱৰ্তী প্ৰক্ৰিয়া আগুৱাই নিবলৈ সক্ষম হ’ব।

(চ) মহাগাণনিক, অসম [Principal Accountant General (A&E)] বিত্তীয় বৰ্ষ সম্পূৰ্ণ হোৱাৰ পিছতহে অসমৰ বিত্তীয় হিচাপ (Finance Accounts) প্ৰকাশ কৰে। যিহেতু চলিত বিত্তীয় বৰ্ষ এতিয়াও চলি আছে, সেয়ে বিভিন্ন বিভাগে সংগ্ৰহ কৰা ৰাজহৰ প্ৰকৃত তথ্য চলিত বিত্তীয় বৰ্ষ সম্পূৰ্ণ হোৱাৰ পিছতহে মহাগাণনিক অসমৰ প্ৰতিবেদনত উপলব্ধ হ'ব ।

(ছ) বিত্ত বিভাগত বিভিন্ন হিচাপশীৰ্ষকৰ (Heads of Account) অধীনত হোৱা ব্যয় সমূহ চিলিং (Ceiling) আৰু নন-চিলিং (Non-Ceiling) ব্যৱস্থাৰ মাধ্যমেৰে সম্পন্ন কৰা হয় । চলিত বিত্তীয় বৰ্ষৰ, এই বিভাগে চিলিং (Ceiling) প্ৰক্ৰিয়াৰ জৰিয়তে বিভিন্ন বিভাগলৈ প্ৰেৰণ কৰা পুঁজিৰ অনুমোদনসমূহহে প্ৰদান কৰিবলৈ সক্ষম।

নন-চিলিং (Non-Ceiling) ব্যৱস্থাৰ জৰিয়তে মুকলি কৰা পুঁজি অনুমোদনৰ তথ্য বৰ্তমান এই বিভাগত উপলব্ধ নহয় । প্ৰতিটো বিত্তীয় বৰ্ষৰ অন্ততহে মহাগাণনিকৰ (Accountant General) কাৰ্যালয়ে নন-চিলিং প্ৰক্ৰিয়াৰে হোৱা পুঁজি অনুমোদনৰ তথ্যসমূহ পৰীক্ষা আৰু সত্যাপন কৰে । গতিকে প্ৰতিটো বিত্তীয় বৰ্ষৰ অন্ততহে নন-চিলিং (Non-Ceiling) ব্যৱস্থাৰ জৰিয়তে মুকলি কৰা পুঁজিৰ তথ্য বিত্ত বিভাগত উপলব্ধ হয়।

চলিত বিত্তীয় বৰ্ষত চিলিং প্ৰক্ৰিয়াৰ জৰিয়তে মোকলাই দিয়া পুঁজিৰ তথ্য **পৰিশিষ্ট-৩** ত সংলগ্ন কৰা হৈছে আৰু সদনৰ মজিয়াত দাখিল কৰা হৈছে।

*******

(উত্তৰৰ প্ৰতিলিপি পৰিশিষ্ট সহ https://asla.neva.gov.in ত আপলোড কৰা হৈছে)

পৰিশিষ্ট - ১

GOVERNMENT OF ASSAM
FINANCE (ESTT-A) DEPARTMENT
'F' BLOCK :: 2ND FLOOR :: JANATA BHAWAN
DISPUR ::: GUWAHATI-6

**EXECUTIVE ORDER**

No.FEG. 2498/2017/431 Dated Dispur, the 16th June, 2026

**Sub :** Revision of rates of Dearness Allowance/ Dearness Relief to the serving State Government Employees/State Government Pensioners/Family Pension Holders/Extra Ordinary Pension Holders/Compassionate Family Pension Holders, applicable for revised pay scale as per A.S.(ROP) Rules, 2017.

The Governor of Assam is pleased to decide that the rates of Dearness Allowance (D.A.)/Dearness Relief (D.R.) payable to the State Government employees and the pensioners who are entitled to draw pay & pension as per A.S. (ROP) Rules, 2017 shall be admissible as per rate shown below with immediate effect:

| Rate of D.A./D.R. enhanced | Rate of D.A./D.R. per mensem |
|---|---|
| 2% | 60% of Basic Pay/Basic Pension |

Note: - The payment on account of D.A./D.R. involving fractions of 50 paise and above may be rounded off to the next higher rupee and the fractions of less than 50 paise may be ignored.

2. The order shall apply to Government employees who are brought over to the revised scale of pay w.e.f. 01/04/2016 and to those who elected to retain the scale of pay that prevailed prior to 01/04/2016. In case of the former, pay for the purpose of D.A. will be as defined in F.R. 9(21)(a)(i) including stagnation increment. Those Government employees who exercised option to retain the scale of pay that existed prior to 01/04/2016 shall continue to draw the D.A. as is appropriate to the pay scales in force on 31/03/2016.

3. The orders shall also be applicable to those Work Charged (WC) and Muster Roll (MR) employees/workers drawing minimum pay scales as per O.M. No. FEC(II)4/2014/414 dated 03/10/2019.

4. The rate of Dearness Relief (D.R.) for Extra Ordinary Pension Holders and Compassionate Family Pension Holders shall be governed by Finance Department's Executive Order No. FEG.2498/2017/412 Dated 04/06/2025 as per which the enhanced rate of Dearness Relief (D.R.) for extra-ordinary pension holders and compassionate pension holders shall be maximum of 3% in a financial year.

5. The amount sanctioned shall be classified as D.A./D.R. and the expenditure for the purpose will be debitable to the detailed head of Salary, Wages or Pension under respective head of account from which Govt. employees draw their pay and the Pensioners draw their pension.

6. The enhanced rate of 60% Dearness Allowance (D.A.)/Dearness Relief (D.R.) shall be paid along with monthly pay/pension for the month of **June 2026 in July 2026** and thereafter.

7. The Treasuries and Sub-Treasuries in Assam/Authorized Public Sector Banks are requested to arrange for the payment of Dearness Relief (D.R.) to the Pensioners/Family Pension Holders/Extra Ordinary Pension Holders/Compassionate Family Pension Holders on the basis of this Executive Order.

Digitally signed by
MALAVIKA CHOUDHURY
Date: 16-06-2026
12:28:23

Secretary to the Govt. of Assam
Finance Department

Memo. No.FEG.2498/2017/431-A

Dated Dispur, the 16th June, 2026

Copy forwarded to: -

1. The Accountant General (A&E), Assam, Maidamgaon, Beltola, Guwahati-29. He is requested to kindly issue General Authority for the purpose of drawal of Dearness allowances by the officers drawing pay on the strength of Pay Slip.
2. The Accountant General (Audit), Assam, Maidamgaon, Beltola, Guwahati-29.
3. The Commissioner & Secretary and Project Director, ASPIRe, ASCFMS, Finance Department for implementation of the enhanced percentage of Dearness Allowance in the Bill Module of the FinAssam Portal to facilitate preparation of Salary Bills accordingly.He is also requested to arrange to upload this Executive Order in the FinAssam homepage as well as in the Bill Module for making it available for the DDOs.
4. The Chairman, Board of Revenue, Assam/ Chairman, Assam Administrative Tribunal.
5. All Administrative Departments/ Heads of Department, Assam.
6. The Regional Manager, S.B.I./U.B.I./U.C.O. Bank/ Allahabad Bank/ Punjab National Bank/ Canara Bank/ Central Bank of India. They are requested to arrange for release of Dearness Relief to the Pensioners/ Family Pensioners/ Extra-ordinary pension Holders/Compassionate Family Pension Holders at revised rate, as per admissibility and as mentioned in the Executive Order.
7. All Addl. Chief Secretaries/ Principal Secretaries/ Commissioner & Secretaries/ Secretaries to the Govt. of Assam, Dispur.
8. The Senior most Secretary to the Govt. of Assam, ARTP&PG Department for information and necessary action.
9. The Commissioner & Secretary to the Governor of Assam, Kharghuli, Guwahati.
10. The Chief Electoral Officer, Assam, Dispur for information.
11. All Commissioners of Divisions, Assam.
12. The General Administration Department, Dispur, Guwahati-6 with a request to circulate the Executive Order to the Resident Commissioner, Assam Bhawan/Assam House, New Delhi, all District Commissioners/Co-District Commissioners/Sub-Divisional Officers (Civil), Assam and OSD/Liaison Officer, Assam House, Shillong/ Assam House, Mumbai/ Assam House, Chennai/Assam House, Vellore.
13. The Finance (Estt.-B) Department with a request to circulate the same to all the Director, Finance/ Sr. Financial Advisers/ Financial Advisers/ Finance & Accounts Officers/ Treasury Officers, Assam.
14. The Trade Adviser to the Govt. of Assam, Assam House, Kolkata.

15. The Registrar General, Gauhati High Court, Guwahati-1.
16. The Judicial Department with a request to circulate the Executive Order to all District & Session Judges in Assam.
17. The PPS to the Hon'ble Chief Minister, Assam, Dispur.
18. The PSs to all Hon'ble Ministers, Assam, Dispur.
19. The SO to Chief Secretary, Assam, Dispur.
20. The Political (Cabinet Cell) Department, Dispur, Guwahati-06 for favour of kind information.
21. The Principal Secretary, Karbi Anglong Autonomous Council, Diphu/ N.C. Hills Autonomous Council, Haflong.
22. The Principal Secretary, Bodoland Territorial Region, Kokrajhar/ Rabha Hasong Autonomous Council, Dudhnoi, Goalpara/ Lalung (Tiwa) Autonomous Council, Morigaon/ Missing Autonomous Council, Gogamakh, Dhemaji.
23. The President/ Secretary General, Sadou Asom Karmachari Parishad, Panjabari, Guwahati.
24. The General Secretary, Government Pensioners' Association, Assam,Chandmari, Guwahati-3.
25. The Director, Printing & Stationery, Assam Government Press, Bamunimaidam, Guwahati-21 for publication in the next issue of Assam Gazette.
26. The Director, Information & Public Relation, Dispur, Guwahati-6. He is requested to give wide publicity through print and electronic media.
27. The Director of Industries & Commerce, Assam,Udyog Bhawan, Bamunimaidam, Guwahati-21.
28. The Secretary, Government Pensioners' Association, Assam, West Bengal Branch, Shivangan Apartment, 78, Swami Swarupananda Sarani, 3rd Floor, 4B, P.O. Italgacha, Kolkata-700079.
29. The Content Manager, ePrastuti, Finance (Estt.-A) Department for uploading the Executive Order in the Finance Department's website.

By orders etc.,

Digitally signed by
RISHI PRASAD DEY PURKAYASTHA
Date: 16-06-2026 12:31:11
Deputy Secy. to the Govt. of Assam
Finance (Estt.-A) Department

পৰিশিষ্ট-১ (ক)

# অসম চৰকাৰ
## বিত্ত (সংস্থাপন-ক) বিভাগ
## দিছপুৰ, গুৱাহাটী-০৬

নং:- এফ.ই.জি.২৪৯৮/২০১৭/৪৩১

দিনাংক ১৬/০৬/২০২৬
(১ আহাৰ, ১৪৩৩ ভাস্কৰাব্দ)

## কাৰ্যকৰী নিৰ্দেশ

বিষয় : সংশোধিত দৰমহা স্কেলৰ বাবে প্ৰযোজ্য এ.এছ (আৰ.ও.পি) নিয়ম, ২০১৭ অনুসৰি ৰাজ্য চৰকাৰৰ কৰ্মৰত চৰকাৰী কৰ্মচাৰী/ৰাজ্য চৰকাৰৰ পেঞ্চনাৰ/পৰিয়াল পেঞ্চনধাৰী/অসাধাৰণ পেঞ্চনধাৰী/অনুকম্পামূলক পেঞ্চনধাৰী সকললৈ মৰগীয়া বানচ/মৰগীয়া সকাহৰ সংশোধিত হাৰ।

অসমৰ সন্মানীয় ৰাজ্যপালে লোৱা সিদ্ধান্ত অনুসৰি অসম চৰকাৰৰ কৰ্মৰত কৰ্মচাৰী আৰু পেঞ্চনাৰ যি সকলে এ. এছ (আৰ. ও. পি) নিয়ম, ২০১৭ মতে দৰমহা আৰু পেঞ্চন পাই আছে তেওঁলোকে মৰগীয়া বানচ/মৰগীয়া সকাহ তলত উল্লেখ কৰা হাৰ অনুসৰি তাৎক্ষণিক ভাৱে লাভ কৰিব।

| বৰ্ধিত মৰগীয়া বানচ/মৰগীয়া সকাহৰ হাৰ | মাহেকীয়া মৰগীয়া বানচ/মৰগীয়া সকাহৰ হাৰ |
|---|---|
| ২% | বেচিক পে/বেচিক পেঞ্চনৰ ৬০% |

বি:দ্ৰ :- মৰগীয়া বানচ/ মৰগীয়া সকাহৰ একাউণ্টত দিয়া ধন ৫০ পইচা আৰু তাৰ ওপৰৰ ভগ্নাংশক পৰৱৰ্তী উচ্চ টকালৈ ঘূৰাই দিব পাৰি আৰু ৫০ পইচাতকৈ কম ভগ্নাংশক আওকাণ কৰিব পাৰি।

১) ০১/০৪/২০১৬ৰ পৰা কাৰ্যকৰী হোৱা সংশোধিত দৰমহাৰ স্কেললৈ অনা চৰকাৰী কৰ্মচাৰী আৰু ০১/০৪/২০১৬ৰ পূৰ্বে প্ৰচলিত দৰমহাৰ স্কেল ধৰি ৰাখিবলৈ বাছি লোৱা চৰকাৰী কৰ্মচাৰীৰ ক্ষেত্ৰত এই আদেশ প্ৰযোজ্য হ'ব। প্ৰথম বিধৰ ক্ষেত্ৰত স্থিৰতা বৃদ্ধিকে ধৰি মৰগীয়া বানচ এফ.আৰ.৯(২১) (এ) (i) ত সংজ্ঞায়িত কৰা ধৰণে হ'ব। যিসকল চৰকাৰী কৰ্মচাৰীয়ে ০১/০৪/২০১৬ তাৰিখৰ পূৰ্বে থকা দৰমহাৰ স্কেল ধৰি ৰখাৰ বিকল্প ব্যৱহাৰ কৰিছিল, উপযুক্ত মৰগীয়া বানচ ৩১/০৩/২০১৬ তাৰিখে বলবৎ হোৱাকৈ পাব।

২) এই নিৰ্দেশাৱলী সংশ্লিষ্ট নিয়মীয়া প্ৰতিষ্ঠানৰ কৰ্মচাৰীৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱাৰ কাৰ্য-নিৰ্দিষ্ট কৰ্মচাৰী (Work Charged Employees) আৰু আপাতকালীন পুঁজিৰ পৰা দৰমহা পোৱা আৰু একেধৰনৰ দৰমহা স্কেল বহন কৰি পদত থকা সকলৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব।

৩) ৰাজ্য চৰকাৰৰ অতিৰিক্ত পেঞ্চনধাৰী/সাধাৰণ অনুকম্পামূলক পেঞ্চনধাৰীৰ বাবে মৰগীয়া সকাহৰ হাৰ বিত্ত বিভাগৰ কাৰ্যকৰী নিৰ্দেশ নং এফ.ই. জি.২৪৯৮/২০১৭/৪১২, তাৰিখ ০৪/০৬/২০২৫ৰ দ্বাৰা নিয়ন্ত্ৰিত হ'ব। উক্ত কাৰ্যকৰী নিৰ্দেশ মতে অতিৰিক্ত পেঞ্চনাৰ/অনুকম্পামূলক পেঞ্চনধাৰী সকলে এটা বিত্তীয় বৰ্ষত সৰ্বোচ্চ ৩% হাৰত মৰগীয়া সকাহ পাব।

৪) এই অনুমোদিত ধনৰাশি বিভিন্ন শিতান যেনে, মৰগীয়া বানচ/মৰগীয়া সকাহ হিচাপে নিৰ্দ্ধাৰিত কৰা হ'ব আৰু এই ব্যয়সমূহ কৰ্মচাৰীৰ নিয়মীয়া দৰমহা, মজুৰি বা অৱসৰকালীন বেতন লাভ কৰা তেওঁলোকৰ নিৰ্দিষ্ট গণনা শিতানৰ (Head of Account) বিস্তৃত শিতানৰ (Detailed Head) পৰা খৰচ কৰা হ'ব।

৫) বৰ্দ্ধিত হাৰৰ ৬০% মৰগীয়া বানচ/মৰগীয়া সকাহ ২০২৬ চনৰ জুন মাহৰ দৰমহা/ পেঞ্চনৰ সৈতে দিয়া হ'ব।



File No. FD-17019/1/2017-ESTT_A-FIN-Finance (Computer No. 2498)
Generated from eOffice by Salina Firdous , FIN-SO(SF)-ESTT A, SECTION OFFICER, Finance Department on 08/07/2026 03:16 PM

৬) অসমৰ কোষাগাৰ আৰু উপ কোষাগাৰ/অনুমোদিত ৰাজহুৱা খণ্ডৰ বেংকসমূহক এই কাৰ্যকৰী নিৰ্দেশৰ ভিত্তিত পেঞ্চনাৰ/পৰিয়াল পেঞ্চনধাৰী/অতি সাধাৰণ পেঞ্চনধাৰী সকলক মৰগীয়া সকাহ প্ৰদানৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

Sd/-
সচিব অসম চৰকাৰ
বিত্ত বিভাগ

মেমো নং:- এফ.ই.জি.২৪৯৮/২০১৭/৪৩১-ক

দিনাংক ১৬/০৬/২০২৬
১ আহাৰ, ১৪৩৩ ভাস্কৰাব্দ)

প্ৰতিলিপি তথ্য আৰু প্ৰয়োজনীয় ব্যৱস্থাৰ বাবে দিয়া হ'ল :

১) একাউন্টেন্ট জেনেৰেল (এ এন্ড ই), অসম, মৈদামগাওঁ, বেলতলা, গুৱাহাটী-২৯।
২) একাউন্টেন্ট জেনেৰেল (অডিট), অসম, মৈদামগাওঁ, বেলতলা, গুৱাহাটী-২৯।
৩) আয়ুক্ত সচিব আৰু প্ৰকল্প সঞ্চালক, এ.এচ.পি.আই.আৰ.ই এ.এচ.চি.এফ.এম.এচ, বিত্ত বিভাগ।
৪) অধ্যক্ষ, ৰাজহ বৰ্ড, অসম/অধ্যক্ষ, অসম প্ৰশাসনিক ন্যায়াধিকৰণ।
৫) সকলো প্ৰশাসনিক বিভাগ/বিভাগৰ মুৰব্বী সকল।
৬) আঞ্চলিক পৰিচালক, এচ.বি.আই/ইউ.বি.আই/ইউ.কো. বেঙ্ক/এলাহাবাদ বেঙ্ক/ পাঞ্জাব নেচেনেল বেঙ্ক/কানাড়া বেঙ্ক/ চেন্ট্ৰেল বেঙ্ক অফ ইন্ডিয়া।
৭) সকলো অসম চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব/প্ৰধান সচিব/আয়ুক্ত আৰু সচিব/সচিব।
৮) অসম চৰকাৰৰ জেষ্ঠতম সচিব, এ.আৰ.টি.পি.পি এন্ড পি.জি বিভাগ।
৯) অসমৰ ৰাজ্যপালৰ আয়ুক্ত আৰু সচিব, খাৰঘুলী, গুৱাহাটী।
১০) মুখ্য নিৰ্বাচনী বিষয়া, অসম, দিছপুৰ।
১১) অসমৰ সকলো সংমণ্ডলৰ আয়ুক্ত।
১২) সাধাৰণ প্ৰশাসন বিভাগ, দিছপুৰ, গুৱাহাটী-৬।
১৩) বিত্ত (সংস্থাপন-খ) বিভাগ, দিছপুৰ।
১৪) অসম চৰকাৰৰ ট্ৰেড এডভাইজাৰ, অসম ভৱন, কলকাতা।
১৫) মহাপঞ্জীয়ক, গৌহাটী উচ্চ ন্যায়ালয়, গুৱাহাটী-১।
১৬) ন্যায়িক বিভাগ, দিছপুৰ।
১৭) অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পি.পি.এছ, দিছপুৰ।
১৮) অসমৰ মাননীয় মন্ত্ৰী মহোদয়ৰ পি.এছ, দিছপুৰ, গুৱাহাটী-৬।
১৯) অসমৰ মুখ্য সচিবৰ পি.এছ, দিছপুৰ।
২০) ৰাজনৈতিক (কেবিনেট কোষ) বিভাগ, দিছপুৰ।
২১) প্ৰধান সচিব, কে.এ.এ.চি, দিফু/এন.চি হিলচ স্বায়ত্ব শাসিত পৰিষদ/বি.টি.আৰ, কোকৰাঝাৰ/ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদ, দুধনৈ/লালুং (তিৱা)স্বায়ত্ব শাসিত পৰিষদ, মৰিগাওঁ/মিচিং স্বায়ত্ব শাসিত পৰিষদ, ধেমাজী।
২২) সভাপতি/ সাধাৰণ সম্পাদক, সদৌ অসম কৰ্মচাৰী পৰিষদ, গুৱাহাটী।
২৩) সাধাৰণ সম্পাদক, চৰকাৰী পেঞ্চনাৰ সংস্থা, চান্দমাৰী।
২৪) সঞ্চালক, ছপাশাল আৰু ষ্টেচনাৰী, অসম চৰকাৰ প্ৰেছ।
২৫) সঞ্চালক, তথ্য আৰু জনসংযোগ, দিছপুৰ।
২৬) সঞ্চালক, উদ্যোগ আৰু বাণিজ্য, অসম, বামুণীমৈদাম।
২৭) সচিব, চৰকাৰী পেঞ্চনাৰ সংস্থা, কলকাতা।
২৮) মাষ্টাৰ ট্ৰেইনাৰ, ইপ্ৰস্তুতি, বিত্ত (সংস্থাপন-ক) বিভাগ।

আদেশ আদিৰ দ্বাৰা.,
১৬/০৬/২০২৬
উপ সচিব অসম চৰকাৰ
বিত্ত (সংস্থাপন-ক) বিভাগ



File No. FD-17019/1/2017-ESTT_A-FIN-Finance (Computer No. 2498)
Generated from eOffice by Salina Firdous , FIN-SO(SF)-ESTT A, SECTION OFFICER, Finance Department on 08/07/2026 03:16 PM

পৰিশিষ্ট-২

**GOVERNMENT OF ASSAM**
**FINANCE (BUDGET) DEPARTMENT**
**DISPUR :: GUWAHATI-06**

**No.E-.278326/2025/676 Dated, Dispur, 28-03-2025**

From : Shri Dilip Kumar Borah , IAS
Secretary to the Govt. of Assam,
Finance (Budget) Department, Dispur, Guwahati-06

To : The Senior Most Secretary to the Govt. of Assam
All Administrative Departments ,Dispur, Guwahati-06

**Sub : Required detailed information of the employees who joined Government service on or after 1st February, 2005 but their recruitment process of the concerned posts were started prior to 1st February, 2005.**

Sir,

With reference to the subject cited above, I am directed to say that Finance Department requires the detailed information of employees who joined Government service on or after 1st February, 2005 but their recruitment process of the concerned posts were started prior to 1st February, 2005 in the prescribed format (at annexure-I).

You are requested to kindly furnish the information pertaining to your department as soon as possible.

Yours faithfully,

Digitally signed by
DILIP KUMAR BORAH
Secretary to the Govt of Assam 28-03-2025
Finance (Budget) Department 18:14:21

ANNEXURE-I

| Name of Deptt. | Name of employee | Date of floating advertizement | Appointment letter No | Date of recruitment | Date of Appointment & Joining | Date of retirement | Time Differnce between date of recruitment and date of appointment | Finannce Department's Concurrance number for regularization of service | PRAN | Present Basic Pay |
|---|---|---|---|---|---|---|---|---|---|---|
| | | | | | | | | | | |
| | | | | | | | | | | |
| | | | | | | | | | | |
| | | | | | | | | | | |

পৰিশিষ্ট ঙ

Rs in lakh

| Sl No | Department | FoC released (as on 04-07-2026) |
|---|---|---|
| 1 | Administrative Reforms, Training, Pension and Public Grievances Department | 1.76 |
| 2 | Agriculture Department | 7493.49 |
| 3 | Animal Husbandry & Veterinary | 351.93 |
| 4 | Assam Legislative Assembly Secretariat | 930.16 |
| 5 | Assam State Commission for Right to Pubic Services | 0.16 |
| 6 | Co-operation Department | 206.43 |
| 7 | Cultural Affairs Department | 510.18 |
| 8 | Department of Innovation, Incubation and Start-ups (DIIS) | 124.42 |
| 9 | Election Department | 7005.46 |
| 10 | Finance Department | 24018.67 |
| 11 | Fishery Department | 166.48 |
| 12 | Food, Civil Supplies & Consumer Affairs Department | 7821.67 |
| 13 | General Administration Department | 1069.48 |
| 14 | Health and Family Welfare Department | 9826.62 |
| 15 | Higher Education Department | 3004.77 |
| 16 | Home Department | 1630.79 |
| 17 | Housing and Urban Affairs Department | 6242.35 |
| 18 | Indigenous and Tribal Faith and Cultural Department | 122.43 |
| 19 | Industries, Commerce and Public Enterprises Department | 48028.83 |
| 20 | Irrigation Department | 2219.64 |
| 21 | Judicial Department | 218.10 |
| 22 | Labour & Welfare Department | 354.96 |
| 23 | Legislative Department | 1.40 |
| 24 | Medical Education & Research Department | 72805.89 |
| 25 | Panchayat & Rural Development Department | 1126.89 |
| 26 | Political Department | 38.26 |
| 27 | Power (Electricity) Department | 91472.65 |
| 28 | Public Health Engineering Department | 1130.24 |
| 29 | Public Works (Buildings & NH) Department | 56448.02 |
| 30 | Public Works (Health and Education) Department | 26942.50 |
| 31 | Public Works (Roads) Department | 252825.82 |
| 32 | Revenue and Disaster Management Department | 2103.13 |
| 33 | School Education Department | 63235.35 |
| 34 | Skill, Employment & Entrepreneurship Department | 5000.00 |
| 35 | Social Justice & Empowerment Department | 58.16 |
| 36 | Soil Conservation Department | 974.49 |
| 37 | Transport Department | 4000.00 |
| 38 | Water Resources | 44909.08 |
| 39 | Welfare of Minorities Development Department | 52.09 |
| 40 | Women & Child Development Department | 10234.83 |